**Regional News Unit**
AKASHVANI, Guwahati
0000000000

**Date :** 12-02-2025 **Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

\- - - - - - - - - - - - -

১। ছিংগাপুৰ ভ্ৰমণৰ দ্বিতীয় দিনা মুখ্যমন্ত্ৰীৰ দেশখনৰ উপ প্ৰধানমন্ত্ৰী আৰু কেইবাগৰাকীও উদ্যোগপতিক সাক্ষাৎ।

২। মুখ্য সচিব ৰবি কোটাৰ ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত হ'বলগীয়া অসম বিধানসভাৰ বাজেট অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ পৰ্যালোচনা ।

৩। ৰাজ্যত কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ। মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ।

৪। মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদযাপন।

**আৰু**

৫। আহমেদাবাদত তৃতীয় তথা অন্তিমখন খেলত ইংলেণ্ডক জয়ৰ বাবে ভাৰতৰ ৩৫৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাবে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ উপ প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্ভাৱনমুখী অৰ্থনীতি, ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তিৰ সহযোগিতাৰ জৰিয়তে ভাৰত- এছিয়ান কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উপ প্ৰধানমন্ত্ৰীগৰাকীৰ দায়বদ্ধতাৰ শলাগ লয়। মুখ্যমন্ত্ৰী শৰ্মাই আজি ছিংগাপুৰত এটা ৰোড শ্ব'তো অংশ লয়। ২০০তকৈও অধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই ৰোড শ্ব'ত বিনিয়োগকাৰীসকলে ভাৰতৰ অৰ্থনৈতিক সম্ভাৱনাৰ ক্ষেত্ৰত অসমৰ ভূমিকাক লৈ আগ্ৰহ প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে প্ৰস্তাৱিত ১৪৩ বিলিয়ন ডলাৰৰ ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন, ১২ দশমিক ২ বিলিয়ন ডলাৰৰ আন্তগাঁথনি পুনৰ নিৰ্মাণ, দৈনিক ১৫ কিলোমিটাৰ পথ নিৰ্মাণ, ৬হাজাৰ মেগাৱাট সেউজ শক্তিৰ আহৰণৰ লক্ষ্যকে ধৰি বিভিন্ন ক্ষেত্ৰত অসমে বিনিয়োগকাৰী সকলক লাভান্বিত হোৱাত সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে প্ৰতিগৰাকী সম্ভাব্য বিনিয়োগকাৰীক এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লৈ ৰাজ্যখনত বিভিন্ন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এ ই এম ছিংগাপুৰৰ চৌহদ পৰিদৰ্শন কৰি ইয়াৰ বিশ্বমানৰ পৰীক্ষণ সুবিধাসমূহ প্ৰত্যক্ষ কৰে। তেওঁ লগতে ছেমিকণ্ডাক্টৰ উদ্যোগ সংস্থাৰ অংশীদাৰ সকলকো সাক্ষাৎ কৰে।
ইয়াৰপূৰ্বে, পুৱাৰ ভাগত ড০ শৰ্মাই ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদাৰ সকলৰ সৈতে ফলপ্ৰসু আলোচনাত মিলিত হয়। তেওঁ এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে টাটা ইলেক্ট্ৰনিকছ, কীচাইট প্ৰযুক্তি,

ইক'ছ্‌ফট, ছিংগাপুৰ বিজনেছ ফেডাৰেচন, ইণ্ডিয়ান অ'চেন গ্ৰুপকে ধৰি অন্যান্য উদ্যোগৰ প্ৰতিনিধিসকলক ধন্যবাদ জনায়।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশনৰ ১৭ ফেব্ৰুৱাৰীত প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰৰ বড়োলেণ্ড আঞ্চলিক পৰিষদ বিধায়িনী ভৱনত আজি মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত হৈ ইয়াৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্য সচিবগৰাকীয়ে ৰাজ্যপালৰ ভাষণকে ধৰি প্ৰথম দিনাৰ কাৰ্যসূচী নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বি টি চি আৰু কোকৰাঝাৰ জিলা প্ৰশাসনে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য সচিব ড০ কোটাই এই এদিনীয়া অধিবেশনৰ প্ৰস্তুতি যুদ্ধকালীন ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ বি টি চিৰ প্ৰধান সচিব আকাশদ্বীপক নিৰ্দেশ দিয়ে। তেওঁ বিধানসভাৰ সদস্যসকল আৰু মন্ত্ৰী-বিষয়াসকলৰ আসনৰ ব্যৱস্থা সুনিয়াৰি কৰা, সেইদিনা নিৰৱচ্ছিন্ন বিজুলী আৰু পানী যোগানৰ ব্যৱস্থা কৰা, ত্ৰুটিবিহীন শব্দপ্ৰক্ষেপনৰ ব্যৱস্থা কৰা আৰু আপ্যায়নৰ সুব্যৱস্থা কৰা সম্পৰ্কত সংশ্লিষ্ট সকলো বিভাগৰ সক্ৰিয় সহযোগিতা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে জনোৱা মতে মুখ্য সচিবগৰাকীয়ে আজি বি টি চিৰ অধিবেশন কক্ষ, মন্ত্ৰী আৰু বিধায়িনী দলৰ দলপতিসকলৰ বাবে নিৰ্ধাৰিত কক্ষ আদি পৰিদৰ্শন কৰে। মুখ্য সচিবৰ সৈতে আজিৰ বৈঠকত বি টি চিৰ প্ৰধান সচিব আকাশদ্বীপৰ লগতে কোকৰাঝাৰৰ জিলা আয়ুক্ত এম এম পাৰ্টিন, আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ সকলো বিভাগীয় সচিব আৰু সঞ্চালকসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যত ৮৫৬টা পৰীক্ষা কেন্দ্ৰত কাইলৈৰ পৰা এই বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১লাখ ৪৪ হাজাৰ ৫০২গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে প্ৰকাশ কৰা অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২লাখ ৩০ হাজাৰ ৯১গৰাকী, বিজ্ঞান শাখাত ৫৭হাজাৰ ৭২৪গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। সচিবগৰাকীয়ে কয়, যে পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব। পৰীক্ষাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মনত সৃষ্টি হোৱা চাপ সম্পৰ্কত আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে তেতিয়াৰ অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ শান্তিকাম হাজৰিকাৰ সৈতে হোৱা কথা বতৰাৰ এয়া কিয়দাংশ।

**-বাইট-**

অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪ টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এইবাৰ ৩১ টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২ টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

উল্লেখযোগ্য যে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিছে।

০০০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**বাইট (বিমল বৰা)**

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰে পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হয়।

যোৰহাট জিলাৰ সাহপুৰীয়া গাঁৱৰ নৱৰূপ কলাকৃষ্টি কেন্দ্ৰত বীৰ চিলাৰায় দিৱসৰ সৈতে সংগতি ৰাখি পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। যোৰহাট জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই চাৰিগাঁও মৌজাৰ ১ নম্বৰ টুকুৰীয়াত এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰে।

চিৰাং জিলাতো আজি শৌৰ্য আৰু বীৰত্বৰ প্ৰতিভূ কোচ ৰাজ্যৰ সেনাপতি মহাবীৰ চিলাৰায়ৰ জয়ন্তী পালন কৰা হয়। বিজেপিৰ চিৰাং জিলা সমিতিয়ে আজি দলটোৰ জিলা কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে দিৱসৰ আয়োজন কৰে। একেদৰে সদৌ কোচ ৰাজবাংসী ছাত্ৰ সন্থাৰ বিজনী মহকুমা সমিতিৰ কাৰ্যালয়ৰ প্ৰাংগণত কেইবাটাও সংগঠনে কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠানৰ আয়োজন কৰে। ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

বাক্সা জিলাৰ ধেমধেমাত এই দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানৰ মুকলি সভাত বিধায়ক ফণীধৰ তালুকদাৰ আৰু বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে অংশগ্ৰহণ কৰে। জিলাখনৰ মনসা অঞ্চলত আজিৰেপৰা দুদিনীয়াকৈ বীৰ চিলাৰায় দিৱসৰ আয়োজন কৰা হৈছে। বজালীৰ দৈশিঙৰিত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত বীৰ চিলাৰায় জয়ন্তীত আজি মন্ত্ৰী ৰণজিত কুমাৰ দাসে অংশ লয়।

বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত দিনজোৰা কাৰ্যসূচীৰে চিলাৰায় দিৱস উদ্‌যাপন কৰা হয়। জিলাখনৰ উত্তৰ শালমাৰাৰ কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ সচিবালয় প্ৰাংগণত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী পিযুষ হাজৰিকা উপস্থিত থাকে। এই অনুষ্ঠানতে কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত অৰুণ কুমাৰ ৰায়লৈ মৰণোত্তৰভাৱে এই বৰ্ষৰ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হয়। জিলাখনৰ খোড়াগাঁও ৰাজহুৱা খেলপথাৰতো আজি কেইবাটাও সংগঠণৰ উদ্যোগত এই দিৱস পালন কৰা হয়।

দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত জিলা বিজেপিয়ে আয়োজন কৰা বীৰ চিলাৰায় দিৱসৰ কাৰ্যসূচীত জিলা বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ সাহাকে ধৰি কেইবাখনো মণ্ডল সমিতিৰ সভাপতি উপস্থিত থাকে।

০০০০০০০

গুৱাহাটী জল বোৰ্ডে ইয়াৰ অধীনৰ জল পৰিবাহী নলীৰ বিসঙ্গতি ধৰা পেলোৱাৰ বাবে মহানগৰীৰ বিভিন্ন স্থানত ৰবটিক জৰীপৰ কাম আৰম্ভ কৰিছে। আজি মহানগৰীৰ খাৰঘুলিত জল বোৰ্ডে কাৰিকৰী বিশেষজ্ঞৰ সহায়ত এই ৰবটিক জৰীপ চলায়। এই জৰীপৰ জৰিয়তে ভৱিষ্যতে পানী পৰিবাহী নলীৰ ৱেল্ডিং

অৰ্থাৎ জোৰা লগোৱা অংশত ওলাব পৰা ছিদ্ৰ আগতীয়াকৈ জানিব পৰা যাব। খাৰঘুলিৰ মূল জলাধাৰৰ সংযোগী বৃহৎ নলীত চলোৱা এই জৰীপৰ বাবে মহানগৰীৰ বিভিন্ন স্থানত আজিৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ পানী যোগান বন্ধ থাকিব। জল বোৰ্ডে ১৯ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ দ্বিতীয় পৰ্যায়ত আৰু ২৫ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ত জলবাহী নলীত এনে ৰবটিক জৰীপ চলাব। পানী যোগান সাময়িকভাৱে বন্ধ কৰিবলগীয়া হোৱাৰ বাবে জল বোৰ্ডে গ্ৰাহকসকলৰ ওচৰত ক্ষমা বিচাৰিছে আৰু ভৱিষ্যতে বিৰতিবিহীনভাৱে পানী যোগান লাভৰ স্বাৰ্থত জল বোৰ্ডৰ সৈতে সহযোগিতা কৰিবলৈ গ্ৰাহকসকলক আহ্বান জনাইছে।

০০০০০০০

শ্ৰীভূমি জিলাৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ে, বিদ্যালয়খনৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰিক প্ৰগতি মূল্যায়নকাৰী কাৰ্ড প্ৰস্তুত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰিছে। বিদ্যালয়খনৰ অধ্যক্ষ মহেন্দ্ৰ সিঙে তেওঁৰ দলটোৰ সহায়ত অভিলেখ সময়ত এই কাম সম্পন্ন কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড অৰ্থাৎ চি ডি এছ্ ইয়ে বিগত বৰ্ষত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই কাৰ্ড প্ৰস্তুত কৰাৰ ব্যৱস্থা আৰম্ভ কৰিছিল। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি কেন্দ্ৰীয় বিদ্যালয় সংগঠনে তৃতীয়ৰ পৰা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২০২৪-২৫ বিদ্যায়তনিক বৰ্ষত এই কাৰ্ড প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই কাৰ্ড প্ৰস্তুত কৰাৰ বাবে এতিয়ালৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰ্হি প্ৰস্তুত নোহোৱা সত্বেও জিলাখনৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়খনে নিজাববীয়াকৈ আৰ্হি প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীক এই কাৰ্ড প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ লগতে শাৰিৰীক আৰু মানসিক সুস্থতা, দক্ষতা বিকাশ তথা পাঠ্যক্ৰম বহিৰ্ভুত কাৰ্যসূচীসমূহত তেওঁলোকৰ অংশগ্ৰহণকে ধৰি সকলো দিশ সামৰি এই কাৰ্ডসমূহ যুগুত কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি শিক্ষাৰ্থীসকলৰ সামগ্ৰিক শিক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে সমগ্ৰ শিক্ষা অসম আৰু আই আই টি গুৱাহাটীৰ উদ্যোগত সদৌ অসম বিজ্ঞান আৰু গণিত অলিম্পিয়াডৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ২হেজাৰ ৫০০ ৰো অধিক বিদ্যালয়ৰ ১লাখ ৭৫ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে এই অলিম্পিয়াডত ভাগ লোৱাৰ সুযোগ লাভ কৰিব। ইয়াৰ বাবে অহা সপ্তাহত অনলাইন যোগে ২টা অনুশীলনমূলক পৰীক্ষা অনুষ্ঠিত হ'ব। ৫টা ভাষাত জিলা পৰ্যায়ৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব।

০০০০০০০

কাঁহ শিল্পৰ বাবে বিখ্যাত সৰ্থেবাৰীৰ ঐতিহাসিক বছেৰেকীয়া সভা মহোৎসৱ কালি আৰম্ভ হৈছে। ১৫৯ সংখ্যক এই সভাৰ আজি মূল কাৰ্যসূচী উপলক্ষে হোম যজ্ঞ অনুষ্ঠিত হয়। শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ এই সভা মহোৎসৱ সৰ্থেবাৰীৰ ৫ খেল গঞাৰ উদ্যোগত অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে ব্ৰিটিছ চৰকাৰৰ খাজনা নীতিৰ বিৰুদ্ধে সৰ্থেবাৰীৰ ৰাইজে জয়লাভ কৰাৰ আনন্দ উদযাপনৰ অংশ হিচাপে এই সভা মহোৎসৱৰ আয়োজন কৰিছিল। তেতিয়াৰে পৰা সৰ্থেবাৰী ৰাইজে উলহ-মালহেৰে প্ৰতি বছৰে এই সভা উদযাপন কৰি আহিছে।

০০০০০০০

বৰপেটা জিলা আৰক্ষীৰ উদ্যোগত পথ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে আজি এখন সভা অনুষ্ঠিত হয়। পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত জনসাধাৰণক সজাগ কৰাৰ বাবে বৰপেটা চহৰৰ পাঁচ আলি চ'কত আয়োজিত এই সভাত আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলে অংশ লৈ যন-বাহন আইন মানি চলিবলৈ ৰাইজৰ

প্ৰতি আহ্বান জনায়। এই কাৰ্যসূচীত বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূঞা, উপ-আৰক্ষী অধীক্ষক জিতেশ বৰ্মনৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

0000000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত  তৃতীয় তথা অন্তিমখন খেলত ভাৰতে ইংলেণ্ডক জয়ৰ বাবে ৩৫৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত শুভমন গিলৰ শতক, শ্ৰেয়াছ আয়াৰ আৰু বিৰাট কোহলীৰ অৰ্ধশতকৰ সহায়ত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১৪ অ'ভাৰত ২ টা উইকেট হেৰুৱাই ১০৩ ৰাণ সংগ্ৰহ কৰে।

ভাৰতে ইতিমধ্যে প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

0000000

মঙলদৈৰ বিশিষ্ট গ্ৰন্থ বিক্ৰেতা তথা সামাজিক মাধ্যমৰ জনপ্ৰিয় কবি দুৰ্লভ শৰ্মাৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মঙলদৈৰ বিষ্ণুৰাভা পথত অনুষ্ঠিত শৰ্মা ব্ৰাডাৰ্ছ নামৰ গ্ৰন্থ বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শৰ্মা ব্যৱসায় সংক্ৰান্তত বৰপেটা ৰোডলৈ গৈছিল আৰু কালি তেওঁ হঠাতে অসুস্থ হৈ পৰে। তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হয় যদিও তাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মঙলদৈ শান্তিপুৰ নিবাসী দুৰ্লভ শৰ্মাৰ মৃত্যুৰ সময়ত বয়স আছিল ৬০ বছৰ।

0000000

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ জ্যেষ্ঠ অধিবক্তা সুজিত কুমাৰ সাহাৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উচ্চ ৰক্তচাপ জনিত কাৰণত মৃত্যু হয়। তেওঁ বিলাসীপাৰা অসম গণ পৰিষদৰ আইনী উপদেষ্টা, বিলাসীপাৰা অধিবক্তা সন্থাৰ প্ৰতিষ্ঠাপক সদস্য আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৪ বছৰ।

0000000

গুৱাহাটীৰ বামুণীমৈদামৰ ৰে'লৱে কলনীত আজি এটা হত্যাকাণ্ড সংঘটিত হয়। এটা কোঠাৰ ভিতৰত একেটা পৰিয়ালৰ তিনিজন সদস্যৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি আমাৰ সংবাদদাতাই জনোৱা মতে মৃত লোককেইজন লোহিত ঠাকুৰীয়া, তেওঁৰ পত্নী জুলি ডেকা আৰু কন্যা ঋতিকা ডেকা বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত কৰি আছে।

0000000

সমাপ্ত